No. of Printed Pages—2

1141 (PDCAS)

[23-HKPD1SNP-24 M]

MA 1st Semester (NEP) Exam. 2023 (W)

ASSAMESE (DSC)

(অসমীয়া সাহিত্যৰ বুৰঞ্জী)

[AS S1 -01]

Full Marks : 70

Time : 3½ hours

The figures in the right-hand margin indicate marks.

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) অসমীয়া সাহিত্যত মন্ত্ৰ সাহিত্যৰ স্থান কি ? মন্ত্ৰ সাহিত্যত অসমীয়া সাহিত্যৰ প্ৰাচীন ৰূপটো ৰক্ষিত হোৱা বুলি আপুনি ভাবেনে ? যুক্তি দৰ্শাই লিখক ।

(*b*) উত্তৰ কালৰ অসমীয়া সাহিত্য বুলিলে কি বুজায় ? উত্তৰ কালৰ অসমীয়া সাহিত্যৰ অন্তৰ্গত 'ডাকৰ বচন' বা 'লোকসাহিত্য'– যিকোনো এবিধৰ বিষয়ে এটি আলোচনা যুগুত কৰক ।

(*c*) চৰ্য্যাপদসমূহ মূলতঃ কোন সময়ৰ সৃষ্টি ? শংকৰী যুগৰ বৰগীতৰ সৈতে চৰ্য্যাপদৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক ।

(*d*) মাধৱ কন্দলি কোন যুগৰ কবি ? তেঁওৰ কাৰ্য্যকৃতি বিচাৰ কৰি এটি চমু নিবন্ধ লিখক ।

(*e*) শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্য–সাহিত্যৰ মাজত থকা মিল–অমিলবোৰ বিচাৰ কৰি এটি আলোচনা আগবঢ়াওক ।

(*f*) শংকৰী যুগৰ সাহিত্যৰ বিকাশ আৰু সমৃদ্ধিত অনন্ত কন্দলিৰ অৱদানৰ মূল্যায়ন কৰি এখন ৰচনা লিখক ।

(*g*) অসমীয়া বুৰঞ্জী সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি ? ব্যাখ্যা কৰক ।

(*h*) শংকৰী যুগৰ সাহিত্য আৰু শংকৰোত্তৰ যুগৰ সাহিত্যৰ মাজত থকা মৌলিক পাৰ্থক্যসমূহ কি কি ? শংকৰোত্তৰ যুগৰ সাহিত্যিকসকলৰ যিকোনো এগৰাকীৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে চমুকৈ লিখক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $4 \times 5 = 20$

(*a*) ময়নামতীৰ গান আৰু গোপীচন্দ্ৰৰ গীতৰ বিষয়বস্তুৰ আভাস দাঙি ধৰক ।

(*b*) বধ কাব্য বুলিলে কি বুজায় ? অসমীয়া সাহিত্যত বধ কাব্যৰ ৰচক হিচাপে ৰাম সৰস্বতীৰ স্থান কেনেকুৱা– যুক্তি সহকাৰে আলোচনা দাঙি ধৰক ।

(*c*) 'কাণখোৱা' পুথিখনৰ ৰচক কোন ? পুথিখনৰ বিষয়ে এটি চমুটোকা লিখক ।

(*d*) পাঁচালী সাহিত্য মানে কি ? বহলাই বুজাই লিখক ।

(*e*) চৰিত পুথিৰ ভাষিক বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলোচনা যুগুত কৰক ।

(*f*) শংকৰোত্তৰ যুগত তান্ত্ৰিক আৰু শাক্ত সাহিত্যই কেনেধৰণৰ বিকাশ লাভ কৰিছিল উদাহৰণসহ লিখক ।